# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

**:::::::::::::::::::::::::::::::**

০০০০০০

ৰাজ্যৰ ১০৮ মৃত্যুঞ্জয় সেৱা উন্নীতকৰণৰ বাবে ১১৫ কোটি টকা আৱণ্টনত অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। আজি বিয়লি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত হোজাই জিলাৰ সদৰ- শংকৰদেৱ নগৰৰ নাম শ্ৰীমন্ত শংকৰদেৱ নগৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগতে ৰাজ্যৰ কৃষি বিপণন কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰৰ আঁচনিতো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাৰ বৈঠকে মিছিংসকলৰ জাতীয় উৎসৱ আলি-আয়ে-লৃগাঙৰ দিনটো মিছিং বসতিপ্ৰধান ১১ খন জিলাত চৰকাৰী বন্ধ ৰূপে ঘোষণা কৰাৰো সিদ্ধান্ত লোৱাৰ লগতে অহা ২০২৫ বৰ্ষৰ অসম চৰকাৰৰ চৰকাৰী বন্ধ আৰু সীমিত বন্ধৰ তালিকা চূড়ান্ত কৰে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই সিদ্ধান্তসমূহৰ বিষয়ে প্ৰকাশ কৰে।

০০০০০০

অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে খচৰা ভোটদাতাৰ তালিকা  আজি প্ৰকাশ কৰা হয়। জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি আৰু সংবাদ মাধ্যমৰ লোকসকলৰ উপস্থিতিত জিলা নিৰ্বাচনী বিষয়া তথা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে তালিকা প্ৰকাশ কৰে। এই অনুসৰি জিলাখনত ২ লাখ ৫৭ হাজাৰ ৬৫ গৰাকী ভোটদাতা আছে। ইয়াৰ ভিতৰত পুৰুষ ভোটদাতা ১ লাখ ২৫ হাজাৰৰো অধিক আৰু মহিলা ভোটদাতা ১ লাখ ৩১ হাজাৰৰো অধিক। জিলাখনত ৩৭১টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব। জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা মতে, কাইলৈৰ পৰা ১১ ডিচেম্বৰলৈ খচৰা ভোটাৰ তালিকা সন্দৰ্ভত ওজৰ-আপত্তি গ্ৰহণ কৰি ১২ৰ পৰা ১৮ ডিচেম্বৰৰ ভিতৰত ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰা হ'ব। ১৯ ডিচেম্বৰত চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ পাব। উল্লেখযোগ্য যে, ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুঠ ৩৬টা সমষ্টিৰ ভিতৰত ২০টা সমষ্টি গোৱালপাৰা জিলাৰ আৰু ১৬টা কামৰূপ জিলাৰ অন্তৰ্গত।

০০০০০০

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বজালীৰ নিত্যানন্দত আয়ুষ হাস্পতালৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। এই হাস্পতালখনৰ নিৰ্মাণৰ বাবে ৭ কোটি ৫০ লাখ টকা ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰাক্তন বিধায়ক ভূৱনেশ্বৰ বৰ্মনৰ প্ৰচেষ্টাত ১৯৬৭ চনত অঞ্চলটোত এটা স্বাস্থ্যকেন্দ্ৰৰ নিৰ্মাণ কৰা হৈছিল। এই স্বাস্থ্যকেন্দ্ৰটো পৰিদৰ্শন কৰি মন্ত্ৰী শ্ৰীদাসে ইয়াৰ উন্নীতকৰণৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনায়। অনাগত দিনত

পাঠশালাত ১০০ খন বিছনাযুক্ত আৰু এখন নতুন জিলা চিকিৎসালয়ৰ নিৰ্মাণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ লগতে ভোগপুৰতো চিকিৎসালয় নিৰ্মাণৰ বাবে দ্ৰুতগতিত চলি আছে বুলি তেওঁ অৱগত কৰে।

০০০০০০

ভাৰতৰ শ্বেত বিপ্লৱৰ জনক হিচাপে পৰিচিত ডঃ ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তীৰ লগত সংগতি ৰাখি আজি দেশজুৰি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই দিৱসৰ সৈতে সংগতি ৰাখি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ দুগ্ধ উন্নয়ন সঞ্চালকালয়, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে শৰীৰৰ বাবে গাখীৰৰ উপযোগিতাৰ বিষয়ে উল্লেখ কৰাৰ লগতে দুগ্ধ ক্ষেত্ৰত উত্তৰণৰ পোষকতা কৰে। বিশ্বৰ মুঠ দুগ্ধ উৎপাদনত প্ৰায় ২৫ শতাংশ অৱিহণা যোগাই ভাৰতে উল্লেখনীয় স্থান দখল কৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাৰ গোপাল তথ্য শীৰ্ষক এটি মোবাইল এপ' মুকলি কৰা হয়। এই এপৰ জৰিয়তে পশু পালকসকলে পশুধনৰ স্বাস্থ্য, প্ৰতিকাৰমূলক ব্যৱস্থা, টীকাকৰণ, বিশেষজ্ঞৰ পৰামৰ্শ সহজে লাভ কৰিব পাৰিব। অনুষ্ঠানটোত দুগ্ধ উৎপাদনৰ দিশত অৱদান আগবঢ়োৱা বিভিন্ন প্ৰান্তৰ ভালেকেইগৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে, ৰাজ্যৰ পশুপালন খণ্ডটোৰ জৰিয়তে দুই লাখতকৈ অধিক লোকে নিজৰ জীৱিকাৰ পথ মুকলি কৰি আহিছে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাই পশুপালন তথা দুগ্ধ খণ্ডক বাণিজ্যিকীকৰণ কৰি নতুন প্ৰজন্মৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ আহ্বান জনায়।

০০০০০০

অসম আৰক্ষীয়ে নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে আজি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই ৩ কোটিৰো অধিক টকাৰ মূল্যৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰে। গোপন সূত্ৰৰ পম খেদি আজাৰা, জালুকবাৰী, মালিগাঁও আৰক্ষীৰ লগতে বিশেষ অভিযানকাৰী গোটে অভিযান চলাই এখন ট্ৰাকৰ পৰা নিচাযুক্ত সামগ্ৰীখিনি জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেনক গ্ৰেপ্তাৰ কৰিছে।

আনহাতে গোলাঘাটৰ জানপাৰত আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ জালনোট জব্দ কৰাৰ লগতে ৪ জন লোকক আটক কৰে।

০০০০০০

তিনিচুকীয়া জিলাৰ মাকুম পৌৰসভাৰ অন্তৰ্গত সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ নামফলকত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অসমীয়া ভাষাত নামফলক ডাঙৰকৈ লিখাৰ লগতে অন্যান্য ভাষাত সৰু আখৰেৰে লিখিব লাগিব। অহা ৩১ ডিচেম্বৰৰ পৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰগৰাকীয়ে এই নিৰ্দেশ মানিব লাগিব। মাকুম পৌৰসভাই এখন জাননীযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**